## 2017

## ASSAMESE

( Major )

Paper : 5.2

( পুৰণি অসমীয়া কথাসাহিত্য )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) ৰুক্মিণীয়ে কৃষ্ণলৈ দিয়া পত্ৰখন কোনে পাঠ কৰিছিল ?

(খ) ত্ৰিপুৰাৰ মদন পূজাৰ অধিবাস কি তিথিত অনুষ্ঠিত হৈছিল ?

(গ) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' পাঠত উল্লেখ থকা কছাৰী ৰজাজনৰ নাম লিখা।

(ঘ) ব্ৰাউন চাহাবৰ পত্ৰখন কোন স্থানৰ পৰা লিখা হৈছিল ?

(ঙ) 'কথাগীতা'ৰ কোনটো অধ্যায়ক 'বিষাদ যোগ' বুলি কোৱা হৈছে ?

(চ) প্ৰতিবিন্ধ্য কোন আছিল ?

(ছ) 'বুৰ পালে' কথাষাৰৰ অৰ্থ কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) ''মহাপুৰুষৰ মই কি মহিমা কহিবো অল্পমতি ব্ৰাহ্মণ ছৱাল হুয়া।'' ইয়াত 'মহাপুৰুষ' আৰু 'ব্ৰাহ্মণ ছৱাল' বুলি কাৰ কাৰ কথা কোৱা হৈছে?

(খ) ''ভৰতক লাগি প্ৰাণকো দিতে পাৰোঁ।'' কোনে, কাক কৈছে?

(গ) 'ৰামৰ বনগমন' পাঠটোৰ কাহিনীভাগ কোনে, কাক কৈ থকা বুলি লেখকে দেখুৱাইছে?

(ঘ) তলৰ শব্দ দুটাৰ অৰ্থ লিখা :

পেখি ; সেব্য।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ আধাৰত কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিৰ ঘটনাৱলীৰ এটা চমু বৰ্ণনা দাঙি ধৰা।

(খ) ''পৰমাৰ্থত জন্ম মৰণ নাই নিমিত্তে শোক নকৰিবা।'' কথাষাৰ আলোচনা কৰা।

(গ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' অধ্যায়ৰ আধাৰত কৃষ্ণৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঘ) অসমীয়া গদ্য-সাহিত্যৰ বিকাশত ভট্টদেৱৰ স্থান নিৰূপণ কৰা।

(ঙ) তোমাৰ পাঠ্যৰ ভিত্তিত বুৰঞ্জীৰ গদ্যৰ বিষয়ে এটি টোকা যুগুত কৰা।

৪। উত্তৰ লিখা :

(ক) 'ৰামৰ বনগমন' পাঠৰ পৰা যথোচিত উদাহৰণ দি 'কথা-ৰামায়ণ'ৰ গদ্যশৈলীৰ বিষয়ে আলোচনা কৰা। ১০

*নাইবা*

ত্ৰিপুৰাৰ মদনপূজা উপলক্ষ্যে ৰজাই পৰিধান কৰা পোচাক আৰু অলংকাৰৰ এটি বিৱৰণ দিয়া।

(খ) তোমাৰ পাঠ্যপুথিৰ আলমত বুৰঞ্জী-লেখকৰ বস্তুনিষ্ঠ পৰ্যবেক্ষণ তথা নিৰপেক্ষতা সম্পৰ্কে এটি আলচ আগবঢ়োৱা। ১০

*নাইবা*

নাথান ব্ৰাউনৰ পত্ৰখনত ব্ৰাউনৰ অসমপ্ৰেম কেনেদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা।

(গ) নাটকীয় গদ্যৰ লেখক হিচাপে শংকৰদেৱৰ গদ্যৰ বিশেষত্বসমূহ আলোচনা কৰা। ১০

*নাইবা*

'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ ভিত্তিত গুৰুৰ প্ৰকাৰ, লক্ষণ তথা গুৰুভক্তিৰ মহিমাৰ বিষয়ে লিখা।

★★★